Total No. of Printed Pages—3

# 5 SEM TDC DSE ASM (CBCS) 1 (A) (H)

## 2023

( November )

ASSAMESE

( Discipline Specific Elective )

( For Honours )

Paper : DSE–1 (A)

**( অসমীয়া ব্যাকৰণ, অভিধান আৰু জতুৱা প্ৰয়োগ )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) অসমীয়া ভাষাৰ কেন্দ্ৰীয় স্বৰধ্বনিটো কি?

(খ) অসমীয়া ভাষাৰ এটা উপাহিত বৰ্ণৰ নাম লিখাঁ।

(গ) আয়ত্ত/আয়ত্ব—আখৰ-জোঁটনি মতে কোনটো শুদ্ধ?

(ঘ) 'নিকা অসমীয়া ভাষা' কাৰ ৰচনা?

(ঙ) পূৰ্বপ্ৰত্যয় যোগ কৰি এটা অসমীয়া শব্দ গঠন কৰাঁ।

(চ) 'ৰূপহ' শব্দটোৰ প্ৰত্যয় ভাঙি দেখুওৱাঁ।

(ছ) জোৰবাচক প্ৰত্যয় এটা ব্যৱহাৰ কৰি এটা বাক্য লিখাঁ।

(জ) পুৰুষবাচক বিভক্তিবোৰ বচন সাপেক্ষ নে বচন নিৰপেক্ষ?

২। (ক) আখৰ-জোঁটনি মানে কি বুজা যায়? 'অসমীয়া আখৰ-জোঁটনি সমীক্ষা'ত দিয়া আখৰ-জোঁটনিৰ বিধিসমূহ লিখাঁ। ৩+১২=১৫

*অথবা*

(খ) অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনিৰ উচ্চাৰণ সম্পৰ্কে এটি আলোচনা যুগুত কৰাঁ। ১৫

৩। (ক) 'অসমীয়া ভাষাৰ নিৰ্দিষ্টবাচক সৰ্গ'—এই বিষয়ে এটি আলোচনা কৰাঁ। ১৪

*অথবা*

(খ) অসমীয়া ভাষাৰ প্ৰত্যয়ক কেইটা আৰু কি কি ভাগত ভাগ কৰিব পাৰি? শব্দৰ গঠনত কৃৎ আৰু তদ্ধিত প্ৰত্যয়ৰ ভূমিকা আলোচনা কৰাঁ। ৬+৮=১৪

৪। (ক) অসমীয়া অভিধানৰ বিষয়ে লিখি অভিধানত ব্যৱহাৰ হোৱা সংক্ষিপ্ত ৰূপৰ বিষয়ে আলোচনা কৰাঁ। ৬+৮=১৪





*অথবা*

(খ) চমু টোকা লিখাঁ : ৭+৭=১৪

(১) চন্দ্ৰকান্ত অভিধান

(২) অসমীয়া অনলাইন অভিধান

৫। (ক) পৰিভাষাৰ ধাৰণা দিয়াঁ। পৰিভাষাৰ গুণবোৰৰ বিষয়ে আলোচনা কৰাঁ। ৫+১০=১৫

*অথবা*

(খ) প্ৰশাসনিক পৰিভাষাৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। ১৫

৬। চমু টোকা লিখাঁ (যি কোনো এটা) : ৬

(ক) ভাষাৰ জতুৱা ঠাঁচ

(খ) খণ্ডবাক্য আৰু ইয়াৰ প্ৰয়োগ

৭। অৰ্থ লিখি বাক্য সাজাঁ (যি কোনো চাৰিটা) : ২×৪=৮

একা-চেকা ; এমা-ডিমা ; ডিঙিৰ হাৰ মাল ; বগলী ভকত ; ভিকাচন ভগা ; মিজিং-মাজাং ; পানী নসৰকা।

★★★